লৈ আনবোৰ বিষয় শিকোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।

## পাঠৰ সহ-সম্বন্ধৰ অৰ্থ (Meaning of Correlation of Studies) ঃ

যি শিক্ষা প্ৰণালীৰ দ্বাৰা শিক্ষণীয় বিষয়ৰ ভিতৰত থকা সামঞ্জস্যখিনি বাহিৰ কৰি আৰু সেইবোৰৰ মাজত সংহতি আৰু সমন্বয় স্থাপন কৰি শিক্ষা দিয়া হয় তাকেই পাঠৰ সহ-সম্বন্ধ (Correlation of Studies) বোলা হয়। কোনো এটা তথ্য বা তত্ত্বৰ প্ৰকৃত অৰ্থ আৰু গুৰুত্ব উপলব্ধি কৰা কাৰ্য্যত সেই তথ্য আৰু তত্ত্বৰ লগত সম্পৰ্ক থকা কিছুমান ঘটনা আৰু নীতিয়ে সহায় কৰে। সেইদৰে আমাৰ পাঠ্যক্ৰমৰ কোনো বিষয়ৰ অৰ্থ আৰু মূল্য বুজাত অন্য কিছুমান বিষয়ে যথেষ্ট সহায় কৰে। কোনো এটা বিষয় যদি অন্যান্য বিষয়ৰ পৰা সম্পূৰ্ণভাৱে বিচ্ছিন্ন কৰি আনি এটা স্বতন্ত্ৰ বিষয় হিচাপে শিকোৱা যায় তেন্তে সেই শিক্ষণীয় বিষয়ৰ শিক্ষা সিমান ফলৱৰ্তী নহয়। আনহাতে সেই বিষয়ৰ লগত সামঞ্জস্য থকা অন্যান্য বিষয়ৰ লগত যোগসূত্ৰ স্থাপন কৰি পঢ়াব পাৰিলে শিক্ষাৰ্থীয়ে তাৰ অৰ্থ সহজে বুজিব পাৰে আৰু শিক্ষকৰো শিক্ষাদানৰ শ্ৰম লাঘৱ আৰু সাৰ্থক হয়। গতিকে পাঠ্যক্ৰমৰ বিভিন্ন বিষয় বিলাকৰ ভিতৰত পাৰস্পৰিক সম্পৰ্ক বাহিৰ কৰি শিক্ষাদান কৰাটোৱে হ'ল বৰ্তমান শিক্ষানীতিৰ মূল কথা। আধুনিক শিক্ষাবিধ আৰু চিন্তাশীল লোকসকলে শিশুৰ শিক্ষাত এই পাৰস্পৰিক সম্পৰ্কৰ ওপৰত গুৰুত্ব দিছে। সাধাৰণতে পাঠৰ সহ-সম্বন্ধ বুলি ক'লে শ্ৰেণীত পাঠদান কৰা কোনো পাঠৰ বিষয়বস্তুৰ লগত আন এটা পাঠৰ বা বিষয়ৰ সম্বন্ধ স্থাপন কৰাটোকে বুজায়। সম্পূৰ্ণ সাধাৰণ আৰু স্বাভাৱিক উপায়েৰে বা অৱস্থাৰে এটা বিষয়ৰ লগত আন এটা বিষয়ৰ সংযোগকেই পাঠৰ সহ-সম্বন্ধ বুলি ক'ব পাৰি। শিক্ষা ক্ষেত্ৰত পাঠদান আৰু পাঠ আহৰণৰ ক্ষেত্ৰত সহ-সম্বন্ধৰ অতি প্ৰয়োজন। সহ-সম্বন্ধই নিৰ্দিষ্ট পাঠটোৰ অৰ্থ আৰু তাৎপৰ্য্য পুংখানুপুংখ ৰূপে উপলব্ধি কৰি বিস্তৃত জ্ঞান অৰ্জন কৰাত সহায় কৰে। পাঠৰ সহ-সম্বন্ধই এইটো প্ৰমাণিত কৰে যে মানৱ জ্ঞান অভিজ্ঞতাক এটাৰ পৰা আনটোক পৃথক কৰিব নোৱাৰি, এটাৰ লগত আনটো সু-সম্বন্ধিত। আন এটা সহ-সম্বন্ধৰ ধাৰণা অনুসৰি জ্ঞান হৈছে এক সমগ্ৰ সত্তা আৰু জ্ঞানক আমি কেতিয়াও আংশিক ৰূপ দিব নোৱাৰো। প্ৰকৃত জ্ঞানক অৰ্থপূৰ্ণ কৰি তুলিবলৈ হ'লে

শিক্ষাক বিভিন্ন বিষয়বস্তুৰ লগত সম্বন্ধ স্থাপন কৰিব লাগিব। সমাজৰ পৰিবৰ্তনশীলতাই ব্যক্তিৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি গভীৰতা, ব্যাপকতা আৰু জটিলতা আনি দিয়ে আৰু ইয়াৰ ফলস্বৰূপে বিভিন্ন নতুন নতুন ধ্যান-ধাৰণাৰে সমৃদ্ধ বিষয়ৰ সৃষ্টি হয়।

সহ-সম্বন্ধৰ ক্ষেত্ৰত বিভিন্ন শিক্ষাবিদে বিভিন্ন ধৰণৰ সংজ্ঞা প্ৰদান কৰা দেখা যায়। খান্না আৰু মানটিৰ মতে, "সহ-সম্বন্ধ হৈছে বিভিন্ন বিষয়ৰ জ্ঞান একত্ৰিত কৰা এক দিশ আৰু ই জ্ঞানক বাস্তৱ জীৱনৰ সৈতে সংযোজন কৰি তোলে"।

## সহ-সম্বন্ধৰ গুৰুত্ব (Importance of correlation of studies) ঃ

সহ-সম্বন্ধৰ গুৰুত্বৰ প্ৰসঙ্গত তলত দিয়া দিশসমূহ আমাৰ বাবে বিবেচনাযোগ্য—

**১। পাঠ্য বিষয়ৰ মাত্ৰাধিক্য (Increase of Curricular Subjects) ঃ** বৰ্তমান সমাজ আৰু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে বিজ্ঞান, কলা, উদ্যোগৰ বিভিন্ন ক্ষেত্ৰত প্ৰগতি সাধিত হৈছে আৰু তাৰ ফলস্বৰূপে বিদ্যালয়ৰ পাঠ্যক্ৰমত বহুতো নতুন নতুন বিষয় সোমাই পৰিছে আৰু বৰ্তমান পাঠ্যক্ৰম বহু শাখা প্ৰশাখাত বিভক্ত হৈ পৰিছে। এই বহুমুখী পাঠ্যক্ৰমৰ দ্বাৰা বহু সংখ্যক শিক্ষাৰ্থী উপকৃত হৈছে যদিও ইয়াৰ ফলত অন্যান্য কিছুমান সমস্যাৰ সৃষ্টি হৈছে। যেনে ইয়াৰ দ্বাৰা শিক্ষাৰ্থীৰ মনত সমন্বয় আৰু সংহতিৰ ভাৱ হ্ৰাস পাইছে আৰু শিক্ষালব্ধ জ্ঞান সংকীৰ্ণ আৰু সীমাবদ্ধ হৈ পৰিছে। তদুপৰি শিক্ষাৰ্থীয়ে এই বিভিন্ন বিষয়বোৰৰ ভিতৰত ভাৰসাম্য ৰক্ষা কৰা টান হৈ পৰিছে। গতিকে আমি শিক্ষাৰ ক্ষেত্ৰত যদি বিভিন্ন বিষয়ৰ ভিতৰত থকা অন্তৰ্নিহিত মৌলিক সম্পৰ্ক ৰক্ষা কৰি শিক্ষাদান নকৰো তেন্তে জ্ঞান সংলগ্নহীন হৈ পৰিব আৰু শিক্ষাৰ্থীৰ মনতো এই সংলগ্নহীন জ্ঞানে খেলি মেলিৰ সৃষ্টি কৰিব।

**২। পাঠ্যক্ৰমৰ বোজা (Burden of curriculum) ঃ** বৰ্তমান শিক্ষা অনুষ্ঠানসমূহৰ পাঠ্যক্ৰম গধূৰ হৈছে বুলি বহুতৰে মত। পুৰণি শিক্ষা ব্যৱস্থাত মাত্ৰ কেইটামান বিষয়হে পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হৈছিল। কিন্তু বৰ্তমানৰ পাঠ্যক্ৰমত বহুসংখ্যক বিষয় সন্নিৱিষ্ট হৈছে আৰু এই পাঠ্যক্ৰম শিক্ষাৰ্থীৰ কাৰণে যথেষ্ট গধুৰ হৈ পৰিছে। পাঠ্যক্ৰমৰ এই গধুৰতা লাঘৱ কৰাৰ এটা উপায় হৈছে বিষয়সমূহৰ সহ-সম্বন্ধ। কিয়নো ইয়াৰ দ্বাৰা দুই বা তিনিটা বিষয়ক একেটা কৰি আৰু বিভিন্ন বিষয়ৰ ভিতৰত তুলনামূলক শিক্ষাদান কৰি শিক্ষাৰ্থীক লাভৱান কৰিব পৰা যাব।

**৩। বিশেষীকৰণৰ কুপ্ৰভাৱ (Ill effect of specialization) ঃ** মানৱ মনৰ এটা প্ৰধান বিশেষত্ব হ'ল ই যি অভিজ্ঞতা আৰু শিক্ষা লাভ কৰে এই অভিজ্ঞতা আৰু জ্ঞান বিচ্ছিন্ন ভাৱে গ্ৰহণ নকৰি সামগ্ৰিকভাৱেহে কৰে। বৰ্তমান শিক্ষা ব্যৱস্থাত শিক্ষণীয় বিষয়ৰ কৃত্ৰিম বিভাজন নীতিৰ অবাঞ্চিত

প্ৰভাৱ দূৰ কৰিবলৈ হ'লে পাঠাদানত সহ-সম্বন্ধৰ নীতি প্ৰয়োগ কৰা প্ৰয়োজন, তেতিয়াহে শিক্ষাৰ্থীয়ে শিক্ষালব্ধ জ্ঞান আয়ত্ত কৰিবলৈ আৰু সেই শিক্ষা স্থায়ী ভাৱে মনত ৰাখিবলৈ সুবিধা পাব।

৪। **শিক্ষাদানৰ কৃত্ৰিমতা (Artificiality of teaching) ঃ** পাঠ্যক্ৰমৰ বিষয়সমূহৰ শিক্ষাদান কৰোঁতে সেই সমূহৰ মাজত থকা সহ-সম্বন্ধ আৰু বিষয় আৰু জীৱনৰ বাস্তৱ পৰিস্থিতিৰ মাজত থকা সহ-সম্বন্ধৰ কথা সহজ সৰল ভাৱে শিক্ষাৰ্থীৰ আগত দাঙি ধৰিব লাগে। কিন্তু তাকে নকৰি বিষয়বোৰ সংলগ্নহীনভাৱে শিকাই গ'লে শিক্ষাৰ্থীয়ে অৰ্জিত জ্ঞানৰ প্ৰয়োগিক দিশৰ তাৎপৰ্য্য বুলিবলৈ টান পাব। গতিকে শিক্ষা উদ্দেশ্য বিহীন আৰু অৰ্থহীন হৈ পৰিব।

## পাঠৰ সহ-সম্বন্ধৰ সুবিধাসমূহ (Merits or advantages of correlation) ঃ

পাঠৰ সহ-সন্বন্ধৰ সুবিধাসমূহ তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰি। যেনে —

১। পাঠৰ সহ-সম্বন্ধই শিক্ষাৰ্থীসকলক এটা বিষয়ৰ জ্ঞান আয়ত্ব কৰা সহজ কৰি তোলে।

২। পাঠৰ সহ-সম্বন্ধ গঢ় লৈ উঠিলে একেজন শিক্ষকে বিভিন্ন বিষয়ত সমন্বয় ৰক্ষা কৰি শিক্ষাদান কাৰ্য্যসূচীক অধিক ভাৱে আকৰ্ষণীয় আৰু বোধগম্য কৰি তুলিব পাৰে।

৩। সহ-সম্বন্ধ সৃষ্টি কৰি শিক্ষকে পাঠদান কাৰ্য্যত হোৱা শ্ৰম বহু পৰিমাণে লাঘৱ কৰিব পাৰে।

৪। সহ-সম্বন্ধ প্ৰক্ৰিয়াই শিক্ষাদান আৰু আহৰণ ব্যৱস্থাত থকা গতানুগতিকতা নোহোৱা কৰি অৱসাদ আৰু অলসতা দূৰ কৰে।

৫। সহ-সম্বন্ধ প্ৰক্ৰিয়াই শিক্ষাৰ্থীৰ মনৰ পৰা বিষয়সমূহৰ প্ৰতি থকা সংকীৰ্ণ মনোভাৱ আঁতৰ কৰায়।

৬। সহ-সম্বন্ধ প্ৰয়োগৰ ফলত শিক্ষাৰ্থীৰ মানসিক দিগন্তৰ প্ৰসাৰতা বৃদ্ধি পায়। শ্ৰেণীৰ পাঠৰ লগত আন আন পাঠৰ সমন্বয় হোৱাত জ্ঞানৰ প্ৰসাৰতা বৃদ্ধি পায়।

৭। পাঠৰ সহ-সম্বন্ধ প্ৰক্ৰিয়াটোৱে বিষয়সমূহৰ গধুৰ বোজা পাতল হোৱাত অৰিহণা যোগায়।

৮। এই প্ৰক্ৰিয়াই বিভিন্ন বিষয়ৰ মাজত সম্পৰ্ক স্থাপন কৰাৰ ফলত শিক্ষাৰ্থীসকলে মানসিক তৃপ্তি লাভ কৰে।

৯। পাঠদানৰ ক্ষেত্ৰত সহ-সম্বন্ধ প্ৰয়োগ হ'লে শিক্ষণ প্ৰক্ৰিয়াটো সহজ-সৰল আৰু অৰ্থপূৰ্ণ হৈ পৰে।

১০। পাঠৰ সহ-সম্বন্ধ স্থাপনে অজানিত ভাৱে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত সহানুভূতিশীল ভাৱধাৰাৰ সৃষ্টি কৰায়।

১১। সহ-সম্বন্ধ প্ৰণালীটোৱে শিক্ষাৰ্থীক শিক্ষাৰ প্ৰয়োগিক দিশটোৰ প্ৰতি সজাগতা আনি দিয়ে।

১২। পাঠৰ সহ-সম্বন্ধ প্ৰয়োগৰ ফলত শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াত নতুনত্ব আহে আৰু সমগ্ৰ শিক্ষা ব্যৱস্থাটো গতিশীল আৰু জীৱন্ত হৈ পৰে।

## সহ-সম্বন্ধৰ দুৰ্বলতাসমূহ (Weakness of correlation) ঃ

পাঠৰ সহ-সম্বন্ধৰ দুৰ্বলতা সমূহক তলত দিয়া ধৰণে বিবেচনা কৰিব পাৰি—

১। সহ-সম্বন্ধ স্থাপনৰ ক্ষেত্ৰত বিশেষ ভাৱে জ্ঞান সম্পন্ন আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন। বাস্তৱ ক্ষেত্ৰত তেনেকুৱা দক্ষতা সম্পন্ন শিক্ষকৰ অভাৱ দেখা যায়।

২। বহু বিদ্যালয়ে সহ-সম্বন্ধ প্ৰয়োগৰ বাবে সময়ৰ অপচয় হয় বুলি মত প্ৰকাশ কৰে। একে সময়তে দুটা বা ততোধিক বিষয়ৰ সম্বন্ধ স্থাপন কৰাৰ ফলত নিৰ্ধাৰিত সময়ত মূল বিষয়টোৰ পাঠদান কাৰ্য শেষ নহয়গৈ।

৩। অতি মাত্ৰ বা মাত্ৰাধিক সহ-সম্বন্ধই শিক্ষণীয় বিষয়বস্তুৰ আধৰুৱা সমাপ্তি কৰে আৰু মূল বিষয়বস্তুৰ পৰা আঁতৰাই নিব পাৰে।

৪। পাঠৰ লগত সংগতি নথকা বিষয়ৰ লগত, অন্য পাঠৰ, অন্য বিষয়ৰ বা অন্য দিশৰ সহ-সম্বন্ধ স্থাপনৰ চেষ্টা কৰিলে ছাত্ৰ-ছাত্ৰীৰ মনত বিভ্ৰান্তিৰ সৃষ্টি হ'ব পাৰে।

৫। সহ-সম্বন্ধ উচ্চ শিক্ষাৰ বাবে বিশেষ উপযোগী নহয়।

৬। উদ্দেশ্যহীন সহ-সম্বন্ধই শিক্ষণীয় পৰিবেশ আমনিদায়ক, বিৰক্তিকৰ আৰু অনিষ্টকৰ কৰি তুলিব পাৰে।

৭। বলপূৰ্বক ভাৱে সৃষ্টি কৰিবলৈ যোৱা পাঠৰ সহ-সম্বন্ধই বিশৃংখলতা আনি দিব পাৰে।

৮। শিক্ষকে নিজৰ বিচাৰ-বিবেচনা-বুদ্ধি প্ৰয়োগ নকৰি সহ-সম্পৰ্ক স্থাপন কৰিলে ই উপকাৰৰ সলনি অপকাৰ কৰিব পাৰে।

## সহ-সম্বন্ধৰ প্ৰকাৰ (Types of correlation) ঃ

সহ-সম্বন্ধক তিনি প্ৰকাৰত বিভক্ত কৰিব পাৰি। এই প্ৰকাৰ তিনিটা হৈছে —

**১। একে বিষয়ৰ এটা পাঠৰ লগত আন এটা পাঠৰ সম্বন্ধ (Establishing relations between two chapters of the same subject) ঃ** বিদ্যালয়ৰ কোনো এটা বিষয়ৰ পাঠ পঢ়াওতে শিক্ষকে

সেই বিষয়ৰ অন্য এটা বা দুটা পাঠৰ লগত শ্ৰেণীৰ পাঠটোৰ যোগসূত্ৰ স্থাপন কৰিব পাৰে। উদাহৰণস্বৰূপে বুৰঞ্জী পঢ়াওতে অশোকৰ ৰাজত্বকালৰ লগত চন্দ্ৰগুপ্তৰ ৰাজত্বকালৰ এটি তুলনামূলক আলোচনা কৰিলেই এই পাঠ দুটাৰ ভিতৰত থকা মিল আৰু অমিলৰ কথা শিক্ষাৰ্থীৰ মনত স্পষ্ট হৈ পৰিব আৰু সিহঁতে দুয়োজন ৰজাৰ ৰাজত্ব কাল সম্পৰ্কে মূল কথা মনত ৰাখিবলৈ সুবিধা পাব। এনেদৰে এটা বিষয়ৰ বিভিন্ন পাঠৰ মাজত সহ-সম্বন্ধ গঢ়ি তুলিলে শিক্ষাৰ্থীসকল লাভান্বিত হোৱাৰ লগতে শিক্ষকৰ সময়ো ৰাহি হ'ব আৰু পৰিশ্ৰমো লাঘৱ হ'ব।

২। **এটা বিষয়ৰ লগত অন্য এটা বিষয়ৰ সম্বন্ধ (Relation between one subject with another subject) ঃ** বৰ্তমান সময়ত শ্ৰেণী কোঠাৰ শিক্ষা ব্যৱস্থাৰ এটা বিষয়ৰ লগত অন্য এটা বিষয়ৰ সম্বন্ধ স্থাপনৰ প্ৰয়োজনীয়তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱৰ ফলস্বৰূপে আধুনিক পাঠ্যক্ৰমত ন-ন বিষয়ৰ অন্তৰ্ভূক্তিয়ে সহ-সম্বন্ধৰ প্ৰয়োজনীয়তা যথেষ্ট বৃদ্ধি কৰিছে। এনে পৰিপ্ৰেক্ষিতত এটা বিষয়ৰ লগত আন এটা বিষয়ৰ সাদৃশ্যসমূহ চিনাক্তকৰণ কৰি জ্ঞান সমন্বয় আৰু বিশ্লেষণ কৰা কথাটো জৰুৰী বুলি বিবেচনা কৰা হৈছে। এই ক্ষেত্ৰত শিক্ষকে দুটা বেলেগ বেলেগ বিষয়ৰ মাজত থকা সাদৃশ্যমূলক উপাদানসমূহ নিজৰ সুবিধা মতে শ্ৰেণী শিক্ষাত অৱতাৰণা কৰি পাঠদান ৰসাল আৰু অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। উদাহৰণস্বৰূপে, বুৰঞ্জীৰ ঐতিহাসিক ঘটনাৱলীৰ বিৱৰণ দিবলৈ যাওঁতে তাৰ লগতে ভৌগোলিক অৱস্থান সম্পৰ্কে জ্ঞান দিব পাৰে। আনহাতে, গণিত সম্বন্ধীয় সমস্যা সমাধান কৰোঁতে ভূগোল, বিজ্ঞান আদি বিষয়ত কিদৰে গণিতৰ বিভিন্ন সূত্ৰৰ প্ৰয়োগ হয় তাৰ আভাস দিব পাৰে। তেনেকৈ সমাজ বিজ্ঞানৰ লগত পৌৰবিজ্ঞানৰ ব্যাকৰণৰ লগত ভাষাবিজ্ঞান বিষয় ইত্যাদি বিষয়ৰ লগত সম্বন্ধ স্থাপন কৰি দুয়োটা বিষয়ৰ এক সামগ্ৰিক ধাৰণা দিব পৰা যায়। এনে কৰিলে ছাত্ৰ-ছাত্ৰীয়ে সহজে বুলি পোৱাৰ উপৰিও গতানুগতিক পাঠদানৰ অৱসাদ গুচাই নতুনত্ব অনুভৱ কৰিব পাৰে।

৩। **স্কুলৰ বিষয়ৰ লগত বহিঃজগতৰ সহ-সম্বন্ধ (Correlation of school subjects with the external world) ঃ** ছাত্ৰই পাঠ্যক্ৰমৰ যোগেদি যি শিক্ষা পায় সি তাৰ বহিঃজগতৰ বাস্তৱ জীৱনৰ বাবে সহায়কাৰী হৈ উঠা উচিত। ছাত্ৰই অধ্যয়ন কৰা বিষয়সমূহ তেওঁলোকৰ জীৱনত কি দৰে সহায়ক হ'ব পাৰে, নিজৰ আৰু সমাজৰ উপকাৰ তাৰ দ্বাৰা কি দৰে সাধন কৰিব পাৰি তাৰ সাম্যক ধাৰণা তেওঁলোকে লাভ কৰি উঠিব পাৰিব লাগে। স্কুলৰ পুথিগত তাত্ত্বিক জ্ঞানৰ লগত বহিঃজগতৰ ব্যৱহাৰিক অভিজ্ঞতাৰ সহ-সম্বন্ধ স্থাপন কৰিব লাগে। লগতে জীৱনৰ লগত সম্বন্ধ নথকা অথবা জীৱনত কোনো কামত নহা অনাৱশ্যক বিষয়সমূহ পাঠ্যক্ৰমৰ পৰা অপসাৰিত কৰি প্ৰয়োজন ভিত্তিক নতুন নতুন বিষয়সমূহ অন্তৰ্ভূক্ত কৰিব লাগে।

এইবিধি সহ-সম্বন্ধক তলত দিয়া উদাহৰণৰ জৰিয়তে অধিক স্পষ্টভাৱে দাঙি ধৰিব পাৰি। যেনে উদ্ভিদ বিদ্যা অধ্যায়ন কৰা এজন ছাত্ৰই নিজ ঘৰত শাক-পাচলি অথবা ফল-মূলৰ বাগিছা এখনৰ তত্বাৱধান আৰু পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিব পাৰে। জীৱ-বিদ্যাৰ ছাত্ৰই পোহনীয়া জন্তু প্ৰতিপালন, ৰোগৰ প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ আদি দায়িত্ব পালন কৰিব পাৰে। শিক্ষা বিষয়ৰ এজন ছাত্ৰই একো একোটা পিচপৰা অঞ্চলৰ শিক্ষিত পুৰুষ-মহিলাৰ হাৰ তথ্য সংগ্ৰহৰ যোগে নিৰ্ধাৰণ কৰিব পাৰে ইত্যাদি।

## পাঠৰ সহ-সম্বন্ধ স্থাপনৰ নীতিসমূহ (Principles of correlation of studies)ঃ

শিক্ষাগান আৰু আহৰণ প্ৰক্ৰিয়াৰ এটা বাস্তৱমুখী দিশ হ'ল বিভিন্ন পাঠৰ মাজত সহ-সম্বন্ধ স্থাপন কৰা। এই সহ-সম্বন্ধ স্থাপনৰ মূল নীতিসমূহক তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

১। শিক্ষকে পাঠদান কৰাৰ আগতে পাঠ্যবিষয়ৰ সহ-সম্বন্ধ স্থাপনৰ পৰিকল্পনা কৰি ল'ব লাগে।

২। শিক্ষকে নিম্ন স্তৰৰ শ্ৰেণীসমূহত শিক্ষাদান কৰোতে খেল-ধেমালী আৰু ক্ৰিয়াৰ লগতে পাঠৰ বিষয়বস্তুক সামৰি লৈ সহ-সম্বন্ধ স্থাপন কৰাত গুৰুত্ব আৰোপ কৰিব লাগে।

৩। উচ্চ পৰ্যায়ৰ শ্ৰেণীবোৰত প্ৰয়োজন সাপেক্ষে কিছুমান বিষয়ক কৰ্মৰ লগত, কিছুমান উচ্চস্তৰীয় বিষয়বস্তুৰ লগত আৰু এটা বিষয়ৰে বিভিন্ন ভাগৰ লগত উচ্চ মানদণ্ডৰ সহ-সম্বন্ধ গঢ়ি তুলিব লাগে।

৪। শিক্ষকে একো একোটা বিষয়ত অন্তৰ্নিহিত হৈ থকা তাত্ত্বিক আৰু ব্যৱহাৰিক দিশৰ মাজত সম্বন্ধ স্থাপন কৰি পাঠদান কৰিব লাগে।

৫। ক্ৰিয়াৰ যোগেদি শিক্ষা নীতি গ্ৰহণ কৰি ছাত্ৰক আত্ম-ক্ৰিয়াৰ স্বাধীনতা প্ৰদান কৰিব লাগে।

৬। শ্ৰেণীকক্ষৰ ভিতৰত প্ৰদান কৰা জ্ঞান-অভিজ্ঞতাসমূহ ছাত্ৰৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতালৈ সম্প্ৰসাৰিত কৰি তুলি সহ-সম্বন্ধ স্থাপন কৰি দেখুৱাব লাগে।

৭। দুটা বিষয়ৰ মাজত স্বাভাৱিক সহ-সম্বন্ধ স্থাপন কৰিব পৰা নহলে শিক্ষকে বলপূৰ্বক ভাৱে সহ-সম্বন্ধ স্থাপন কৰিবলৈ যাব নেলাগে।

৮। পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত বিষয়সমূহ সামাজিক জীৱনৰ বাবে আৰু তাৰ সমস্যা সমাধানৰ বাবে সহায়কাৰী বিধৰ কৰি তুলিব লাগে।

৯। সহ-সম্বন্ধ সদায় স্বাভাৱিক, স্বতঃস্ফূৰ্ত আৰু প্ৰাকৃতিক হোৱা উচিত।